# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 26-03-2025
**Time:** 1205 Hrs

## *Assamese Midday Bulletin*

**- - - - - - - - - - - - - - -**

ৰাষ্ট্ৰীয় আৱিস্কাৰ অভিযানৰ অধীনত সমগ্ৰ শিক্ষা অসমৰ উদ্যোগত গুৱাহাটীৰ শিল্পগ্ৰামত বিজ্ঞান অনুসন্ধান ঃ শিশু বিজ্ঞান সমাৰোহৰ ৰাজ্যিক পৰ্যায়ৰ প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে কালি এই প্ৰতিযোগিতা উদ্বোধন কৰে। অসম বিজ্ঞান প্ৰযুক্তি আৰু পৰিবেশ পৰিষদৰ দ্বাৰা ৰূপায়িত ৰাজ্যিক পৰ্যায়ৰ প্ৰতিযোগিতাখনত সকলো জিলাৰ মুঠ ১৩৫টা শিক্ষা খণ্ডৰ ছাত্ৰ-ছাত্ৰীয়ে ২৮২টা প্ৰকল্প প্ৰদৰ্শন কৰে। শিক্ষাৰ্থীসকলক বিজ্ঞানৰ ব্যৱহাৰিক জ্ঞান আহৰণৰ প্ৰতি আগ্ৰহী কৰি তোলাৰ লক্ষ্যৰে শিক্ষা বিভাগে প্ৰাথমিক আৰু মাধ্যমিক দুয়োটা পৰ্যায়ত কুইজ প্ৰতিযোগিতা, বিজ্ঞান আৰু গণিত অলিম্পিয়াড, বিজ্ঞান আৰু গণিত ক্লাব গঠন আৰু শিশু বিজ্ঞান সমাৰোহৰ আয়োজন কৰি আহিছে। এইবাৰৰ প্ৰতিযোগিতাৰ বিষয়বস্তু হৈছে - বহনক্ষম উন্নয়নৰ বাবে পৰম্পৰাগত জ্ঞান ব্যৱস্থা। শিক্ষামন্ত্ৰী ডাঃ পেগুৱে ছাত্ৰ-ছাত্ৰীসকলক পৰম্পৰাগত অনুশীলনসমূহক বৈজ্ঞানিক দৃষ্টিভংগীৰে পৰ্যবেক্ষণ কৰাৰ উপৰি পৰিবেশ অনুকূল বিজ্ঞান সাধনাৰে নিজৰ তথা দেশৰ বাবে উন্নত ভৱিষ্যতৰ দিশত সদায় গুৰুত্ব আৰোপ কৰিবলৈ আহ্বান জনায়।

ooooo

খাদ্য আৰু অসামৰিক যোগান নিগমৰ অধীনত ডিব্ৰুগড় জিলাৰ খোৱাং ধান ক্ৰয় কেন্দ্ৰৰ পৰা আজি ধানৰ প্ৰথমটো লাট ভাৰতীয় খাদ্য নিগমৰ গুডামলৈ প্ৰেৰণ কৰা হয়। ধান ক্ৰয় কেন্দ্ৰটোৱে বৰ্তমানলৈকে অতিৰিক্ত জিলা আয়ুক্তৰ নেতৃত্বত ৰাজ্য চৰকাৰে নিৰ্ধাৰণ কৰি দিয়া ৭ হাজাৰ ৫০০ কুইণ্টল ধান ন্যূনতম সমৰ্থন মূল্যত ক্ৰয় কৰিছে।

ooooo

গুৱাহাটীৰ এটা পোৰ্টেল চেনেলৰ সাংবাদিক তথা গুৱাহাটী প্ৰেছ ক্লাবৰ সহকাৰী সাধাৰণ সম্পাদক দিলোৱাৰ হুছেইন মজুমদাৰক আৰক্ষীয়ে গ্ৰেপ্তাৰৰ বিৰোধিতা কৰি আজি গুৱাহাটী প্ৰেছ ক্লাবত সাংবাদিকসকলে প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। বিভিন্ন সংবাদ মাধ্যমৰ সাংবাদিকসকলে ক'লা বেজ পৰিধান কৰি এই প্ৰতিবাদী কাৰ্যসূচীত ভাগ লয়। সাংবাদিকসকলে গ্ৰেপ্তাৰ কৰা ঘটনাৰ গৰিহণা দি আৰক্ষীৰ ভূমিকা সন্দৰ্ভত প্ৰশ্ন উত্থাপন কৰে। আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে কালি পানবজাৰ আৰক্ষীয়ে সাংবাদিকগৰাকীক গুৱাহাটীৰ পানবজাৰৰ এপেক্স বেংকৰ কাৰ্যালয়ৰ পৰা গ্ৰেপ্তাৰ কৰে। চৰকাৰী বিষয়াৰ বিৰুদ্ধে আপত্তিজনক শব্দ ব্যৱহাৰৰ অভিযোগত সাংবাদিকগৰাকীক জামিন অযোগ্য ধাৰাত গ্ৰেপ্তাৰ কৰা হৈছে বুলি আৰক্ষীয়ে প্ৰকাশ কৰিছে।

ooooo

আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগে অহা ২৯ মাৰ্চ শনিবাৰে গুৱাহাটীৰ দিছপুৰ লাষ্টগেটৰ লোকনিৰ্মাণ বিভাগৰ সন্মিলন ভৱনত 'আপুনি কেনে আছে' শীৰ্ষক এটা বিশেষ অন্তৰংগ অনুষ্ঠানৰ আয়োজন কৰিছে। দিনৰ চাৰে ১০ বজাৰ পৰা হ'বলগীয়া এই অনুষ্ঠানত আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ ছটা দশকৰ নজহা-নপমা স্মৃতি ৰোমন্থনৰ লগতে কেইবাগৰাকীও প্ৰাক্তন বাতৰি পৰিৱেশক-পৰিৱেশিকা, সম্পাদক আৰু বিষয়াই বৰ্তমানৰ বাতৰি বিভাগৰ কৰ্মীসকলৰ সৈতে অন্তৰংগ আলাপত ভাগ ল'ব। এই অনুষ্ঠানৰ বছা বছা অংশ সেইদিনা নিশা ৮ বাজি ২ মিনিটত প্ৰচাৰিত দৃষ্টিপাত অনুষ্ঠানত শুনিবলৈ পাব।

০০০০০

হোজাই জিলাৰ কৃষ্ণ বৰা বি-এড মহাবিদ্যালয়ৰ উদ্যোগত জিলাখনৰ লংকা প্ৰাথমিক শিক্ষা খণ্ডৰ অন্তৰ্গত মাজ ডাবলং প্ৰাথমিক বিদ্যালয়ত আজি মহিলাৰ স্বাস্থ্য আৰু পৰিস্কাৰ পৰিচ্ছন্নতা সন্দৰ্ভত এখন বিশেষ সজাগতা সভা অনুষ্ঠিত হয়। সভাত মহিলাসকলে কিদৰে নিজৰ স্বাস্থ্যৰ যতন ল'ব পাৰে আৰু পৰিস্কাৰ পৰিচ্ছন্নতাৰে এখন সুন্দৰ সমাজ গঢ়িব পাৰে সেই বিষয়ত আলোকপাত কৰা হয়। অনুষ্ঠানত এ এন এম আৰু আশা কৰ্মীসকলে মহিলাসকলৰ সৈতে বিভিন্ন বিষয়ত আলোচনা কৰে।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ গুৱাহাটীৰ বৰ্ষাপাৰাৰ অসম ক্ৰিকেট সন্থাৰ ষ্টেডিয়ামত আজি ৰিয়ান পৰাগৰ নেতৃত্বত ৰাজস্থান ৰয়েলছ কলকাতা নাইট ৰাইডাৰ্ছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব। ২৩ বছৰীয়া ক্ৰিকেটাৰ ৰিয়ান পৰাগৰ গৃহ ৰাজ্যত খেল প্ৰদৰ্শন উপভোগ কৰিবলৈ জনসাধাৰণৰ মাজত ব্যাপক উৎসাহ পৰিলক্ষিত হৈছে। তদুপৰি যুৱ ক্ৰিকেটপ্ৰেমীসকলে সঞ্জু ছেমচন, ধ্ৰুৱ জুৰেল, চিমৰণ হেটমায়াৰ, যশস্বী জয়ছৱালৰ উপৰি কলকাতা নাইট ৰাইডাৰ্ছৰ আজিংক্য ৰাহানে, ৰিংকু সিং, আন্দ্ৰে ৰাছেল, ভেংকটেশ আয়াৰ, বৰুণ চক্ৰৱৰ্তী আদিকে ধৰি নিজ নিজ ক্ৰিকেট আইডলসমূহৰ খেল উপভোগ কৰিবলৈ আগ্ৰহেৰে অপেক্ষা কৰিছে। আজিৰ খেলখনৰ পৰিপ্ৰেক্ষিতত যান-বাহন আৰক্ষীয়ে গুৱাহাটী মহানগৰত কেতবোৰ পথৰ যাতায়তৰ ক্ষেত্ৰত কিছু সালসলনি কৰিছে। সেই অনুসৰি দিনৰ ২ বজাৰ পৰা নিশা ১২ বজালৈ জি এছ ৰোড, বি কে কাকতি ৰোড, এ কে আজাদ ৰোড, এ কে দেৱ ৰোড, কুল বসুমতাৰী ৰোড, ড০ ভূপেন হাজৰিকা পথ, মৰাভৰলু পথ, এফ এ ৰোড, ধুপলীয়া ৰোড, বিষ্ণুপুৰ ৰোড, বিৰুবাৰী-জি এম চি ৰোড আৰু কাহিলীপাৰা ৰোডত বাণিজ্যিক বাহন আৰু লেহেমীয়া গতিৰ বাহনৰ চলাচলত নিষেধাজ্ঞা আৰোপ কৰা হৈছে। আনহাতে, বিয়লি চাৰে চাৰি বজাৰ পাছত লালগণেশ তিনিআলিৰ পৰা চাইকেল ফেক্টৰী তিনিআলিলৈ কাৰ পাছ থকা বাহনকহে চলাচলৰ অনুমতি দিয়া হ'ব।

প্ৰতিযোগিতাত একেখন ষ্টেডিয়ামতে অহা ৩০ মাৰ্চত হ'বলগীয়া আন এখন খেলত চেন্নাই ছুপাৰ কিংছে ৰাজস্থানৰ ৰয়েলছৰ বিৰুদ্ধে খেলিব।

০০০০০

সমাপ্ত